মিলা-মিছা বা সঘন যোগাযোগে বিশেষ ভূমিকা লয়।

- মান্য ভাষা এটা সদায় মান্য ভাষাই হৈ থাকিব বা উপভাষা এটা সদায় উপভাষাই হৈ থাকিব বুলি কোনো নির্দিষ্ট কথা নাই। এসময়ৰ মান্য ভাষা এটা কালক্রমত উপভাষালৈ পর্যবসিত হ'ব পাৰে আৰু উপভাষা এটা মান্য ভাষাত পৰিণত হ'ব পাৰে। অধ্যায়টিত উপভাষাৰ লগতে মান্য ভাষা, ব্যক্তি ভাষা, পৰিস্থিতি নির্ধাৰণ ভাষা আৰু পাৰস্পৰিক বোধগম্যতাৰ বিষয়ে খৰচি মাৰি আলোচনা কৰা হ'ল।



১৪.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) গোস্বামী, উপেন্দ্রনাথ (২০০৪); *ভাষা-বিজ্ঞান*; গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) দত্তবৰুৱা, ফণীন্দ্র নাৰায়ণ (১৯৯০); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* ডিব্রুগড় ঃ বাণী প্রকাশ।

৩) ফুকন পাটগিৰি, দীপ্তি (সম্পা.) (২০০৭); *অসমীয়া ভাষাৰ উপভাষা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

৪) মৰল, দীপংকৰ (১৯৯১); *উপভাষা-বিজ্ঞান;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

ইংৰাজী গ্ৰন্থ ঃ

৫) Hockett, Charles. F. (1970). *A Course in Modern Linguistics.* New Delhi: Oxford & IBH Publication.

৬) Trudgill, P., (2001). *Sociolinguistics.* Cambridge: Cambridge University Press.

১৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ একে ভাষা সম্প্রদায়ৰ ভাষা ব্যৱহাৰৰ ভিন্নতাৰ বাবে উপভাষা সৃষ্টি হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ এটা ভৌগোলিক বা আঞ্চলিক উপভাষাৰে আকৌ অঞ্চল বিশেষে আঞ্চলিক ৰূপ থাকিব পাৰে। এনে স্থানীয় আঞ্চলিক ৰূপকে স্থানীয় উপভাষা (Sub-Dialect) বোলা হয়।